# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 21-10-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি চাৰিদিনীয়া কেৰালা ভ্ৰমণসূচীৰে থিৰুৱনন্তপুৰমত উপস্থিত হ'ব।

২। বিগত দশকটোত ভাৰতৰ প্ৰতিৰক্ষা উৎপাদন পূৰ্বতকৈ তিনিগুণ বৃদ্ধি হৈ এক লাখ ৫০ হাজাৰ কোটি টকা স্পৰ্শ কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

৩। ভাৰতত উলহ-মালহেৰে পালন কৰা পোহৰৰ উৎসৱ দীপাৱলী উপলক্ষে কালি কেইবাগৰাকীও বিশ্ব নেতাই ভাৰতীয় সকললৈ শুভেচ্ছা জ্ঞাপন কৰে। ***আৰু***

৪। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা নৱী মুম্বাইত অনুষ্ঠিত এখন খেলত শ্ৰীলংকাই বাংলাদেশক ৭ ৰানত পৰাস্ত কৰে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি চাৰিদিনীয়া কেৰালা ভ্ৰমণসূচীৰে থিৰুৱনন্তপুৰমত উপস্থিত হ'ব। ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ চবৰিমালা মন্দিৰ দৰ্শন কৰিব। শ্ৰীমতী মুৰ্মুৱে পৰিহলৈ থিৰুৱনন্তপুৰমৰ ৰাজভৱনত প্ৰাক্তন ৰাষ্ট্ৰপতি কে আৰ নাৰায়ণনৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰিব। তেওঁ লগতে শ্ৰীনাৰায়ণা গুৰু সমাধিৰ শতবাৰ্ষিকী উদযাপন অনুষ্ঠানতো অংশগ্ৰহণ কৰিব। শ্ৰীমতী মুৰ্মুৱে এৰ্ণাকুলামৰ ছেইণ্ট তেৰাছাৰ মহাবিদ্যালয় আৰু পালাৰ ছেইণ্ট থমাছ মহাবিদ্যালয়ৰ অনুষ্ঠানতো অংশগ্ৰহণ কৰিব।

ooooo

বিগত দশকত ভাৰতৰ প্ৰতিৰক্ষা উৎপাদন পূৰ্বতকৈ তিনিগুণ বৃদ্ধি হৈ এক লাখ ৫০ হাজাৰ কোটি টকা স্পৰ্শ কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। ২০১৪ চনৰ পৰা দেশে থলুৱাভাৱে উৎপাদিত ৪০ খন যুদ্ধ জাহাজ আৰু ছাবমেৰিন হস্তান্তৰ কৰিছে। শ্ৰীমোদীয়ে কয়, যে বৰ্তমান ভাৰতে অধিকাংশ প্ৰতিৰক্ষা সা-সামগ্ৰী ঘৰুৱাভাৱে উৎপাদন কৰে আৰু গড় হিচাপে প্ৰত্যেক ৪০ দিনত নৌবাহিনীত একোখনকৈ নতুন যুদ্ধ জাহাজ অথবা ছাবমেৰিন সংযোজিত হৈ আহিছে। প্ৰতি বছৰে ভাৰতীয় সশস্ত্ৰ বাহিনীৰ সৈতে দীপাৱলী উদযাপনৰ তেওঁ বাৰ্ষিক পৰম্পৰা অনুসৰি কালি তেওঁ গোৱা আৰু কৰৱাৰৰ উপকূলৰ আই এন এছ বিক্ৰান্তত নৌবাহিনীৰ জোৱানসকলৰ সৈতে দীপাৱলী উদযাপন কৰে। শ্ৰীমোদীয়ে কয়, যে ভাৰতীয় সেনাৰ তিনিওটা বাহিনীৰ মাজত থকা অভূতপূৰ্ব সমন্বয়ে অপাৰেচন সিন্দূৰৰ সময়ত পাকিস্তানক আত্মসমৰ্পণ কৰাবলৈ বাধ্য কৰোৱায়। আই এন এছ বিক্ৰান্ত- আত্মনিৰ্ভৰ ভাৰত আৰু মেড-ইন-ইণ্ডিয়াৰ সৰ্বশ্ৰেষ্ঠ প্ৰতীক বুলি তেওঁ উল্লেখ কৰে। নিৰাপত্তা বাহিনীসমূহৰ সাহস আৰু দৃঢ়তাৰ শলাগ লৈ শ্ৰীমোদীয়ে কয়, যে তেওঁলোকৰ সংকল্প আৰু দৃঢ়তাৰ বাবেই মাওবাদী সন্ত্ৰাসবাদী নোহোৱা কৰাৰ ক্ষেত্ৰত দেশে উল্লেখনীয় সাফল্য অৰ্জন কৰিছে।

ooooo

ভাৰতত উলহ-মালহেৰে পালন কৰা পোহৰৰ উৎসৱ দীপাৱলী উপলক্ষে কালি কেইবাগৰাকীও বিশ্ব নেতাই ভাৰতীয় সকললৈ শুভেচ্ছা জ্ঞাপন কৰে। হোৱাইট হাউচৰ পৰা জাৰি কৰা এটা বিবৃতিত কোৱা হয় যে দীপাৱলী হৈছে আন্ধাৰৰ বিপৰীতে পোহৰৰ বিজয়। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে দীপাৱলী উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জনাই কয়, যে এই দীপাৱলী আশা, নতুনত্ব আৰু শুভ শক্তিৰ প্ৰতীক। এই উৎসৱে প্ৰত্যেকৰে জীৱনলৈ সুখ, শান্তি আৰু সমৃদ্ধি কঢ়িয়াই আনিব বুলিও ৰাষ্ট্ৰপতি ট্ৰাম্পে আশা প্ৰকাশ কৰে।

এফ বি আইৰ সঞ্চালক খাছ পেটেলেও দীপাৱলী উপলক্ষে জনসাধাৰণলৈ আন্তৰিক শুভেচ্ছা জনায়। আমেৰিকাত থকা ভাৰতীয় দূতাৱাসৰ তৰফৰ পৰাও দীপাৱলী উৎসৱৰ শুভেচ্ছা জনাইছে। আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ বিশেষ প্ৰতিনিধি চাৰ্গিঅ' গ'ৰে আমেৰিকাত থকা ভাৰতৰ ৰাষ্ট্ৰদূত বিনয় মোহন কোৱাট্ৰাৰ সৈতে ইণ্ডিয়া হাউছত দীপাৱলী উদযাপন কৰে।

কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নেও দীপাৱলী উপলক্ষে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। ভাৰতত থকা সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূত আব্দুলনাছেৰ অলশ্বাহলীয়ে দীপাৱলীৰ শুভেচ্ছা জনাই কয়, যে ভাৰতত তেওঁৰ যাত্ৰা আৰম্ভ হোৱাৰে পৰা তেওঁ দীপাৱলী উদযাপন কৰি আহিছে।

ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভাৰতীয় সকললৈ দীৱাপলীৰ শুভেচ্ছা জনাইছে। একেদৰে ব্ৰিটেইনৰ কীৰ ষ্টাৰমাৰ, ইউক্ৰেইনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়, অষ্ট্ৰেলিয়া, নিউজিলেণ্ড আৰু ছিংগাপুৰৰ নেতাসকলেও দীপাৱলীৰ শুভেচ্ছা জ্ঞাপন কৰিছে। ফিনলেণ্ড, অষ্ট্ৰিয়া, ব্ৰাজিল, ছুইজাৰলেণ্ড, ইউৰোপীয় সংঘৰ কূটনৈতিক মিছনৰ পৰাও ভাৰতবাসীলৈ দীপাৱলীৰ শুভেচ্ছা জ্ঞাপন কৰিছে।

উল্লেখযোগ্য যে ভাৰতৰ বিভিন্ন অঞ্চলত যোৱা ১৮ অক্টোবৰৰ পৰা ৫ দিনীয়াকৈ দীপাৱলী উদযাপন কৰা হৈছে।

ooooo

হিন্দী বোলছবি জগতৰ বিশিষ্ট অভিনেতা গোৱৰ্ধন আছৰানীৰ কালি মুম্বাইত দেহাৱসান হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৪ বছৰ। পৰিয়ালৰ সূত্ৰই প্ৰকাশ কৰা মতে অভিনেতাগৰাকীয়ে কালি বিয়লি প্ৰায় ৪ বজাত শেষ নিশ্বাস ত্যাগ কৰে। শ্বোলে বোলছবিত জেইলাৰৰ চৰিত্ৰত কৰা অভিনয়নেৰে জনপ্ৰিয় হৈ পৰা আছৰানীয়ে চুপকে চুপকে, ভুলভুলেইআ, ধামাল, বন্তি ঔৰ বাবলি, বন্তি ঔৰ বাবলি-টু আদিকে ধৰি বহুকেইখন জনপ্ৰিয় ছবিত অভিনয় কৰিছিল। পাঁচটা দশক ধৰি হিন্দী বোলছবিৰ অভিনয়ৰ সৈতে জড়িত আছৰানীয়ে বিশেষকৈ কৌতুক অভিনেতা হিচাপে দৰ্শকৰ মাজত জনপ্ৰিয়তা লাভ কৰিছিল।

ooooo

দেশৰ সকলো শ্ৰেণীৰ নাগৰিকৰ সুবিধা হোৱাকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা ২২ ছেপ্তেম্বৰত জি এছ টি সঞ্চয় উৎসৱৰ ঘোষণা কৰিছিল। জি এছ টি সংস্কাৰৰ পাছত ষ্টেচনাৰী সামগ্ৰীৰ মূল্য হ্ৰাস হোৱাত সাধাৰণ শ্ৰেণীৰ লোক বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকল কিদৰে উপকৃত হৈছে সেই সন্দৰ্ভত আজি আলোকপাত কৰিবলৈ লোৱা হৈছে।

পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰৰ জৰিয়তে চৰকাৰে ষ্টেচনাৰী সামগ্ৰীসমূহত কৰ ৰেহাই ঘোষণা কৰিছে। ইয়াৰ ফলত পেন্সিল, ছাৰ্পনাৰ, ৰং পেন্সিল, বহী, মানচিত্ৰ আদিৰ কৰ ৰেহাই দিয়া হৈছে। এই সামগ্ৰীসমূহত প্ৰথম অৱস্থাত ১২ শতাংশ কৰ আৰোপ কৰা হৈছিল। একেদৰে ৰবৰত থকা পূৰ্বৰ ৫ শতাংশ

কৰ হ্ৰাস কৰি কৰমুক্ত কৰা হৈছে। ইয়াৰ জৰিয়তে প্ৰয়োজনীয় সামগ্ৰীসমূহ সাধাৰণ শ্ৰেণীৰ লোকে ক্ৰয় কৰিব পৰাৰ সুবিধা প্ৰদান কৰা হৈছে।

ooooo

বিহাৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে মনোনয়ন দাখিল প্ৰক্ৰিয়াৰ কালি অন্ত পৰে। এই পৰ্যায়ত মুঠ ২৪৩ খন আসনৰ ভিতৰত ১২২টা সমষ্টিৰ বাবে ১১ নৱেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। ৰাজ্যখনত অহা ৬ নৱেম্বৰত ১৮ খন জিলাৰ ১২১টা বিধানসভা সমষ্টিত প্ৰথম পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। ১৪ নৱেম্বৰত ভোটগণনা কৰা হ'ব। ৰাজ্যখনৰ নিৰ্বাচনী বিষয়াই জনোৱা মতে প্ৰথম পৰ্যায়ৰ বাবে এহেজাৰ ৩৭৫ খন মনোনয়ন বৈধ বিবেচিত হৈছে। ইয়াৰে ১৪৭ গৰাকী মহিলা আৰু এহেজাৰ ২৪৭ জন পুৰুষ প্ৰাৰ্থী।

ইপিনে, ৰাষ্ট্ৰীয় জনতা দল আৰ জে ডিয়ে কালি দলটোৰ ১৪৩ জনীয়া প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। পূৰ্বৰ বিহাৰ বিধানসভা নিৰ্বাচনত দলটোৱে ১৪৪ খন আসনত প্ৰাৰ্থী আগবঢ়াইছিল। এইবাৰ আৰ জে ডিয়ে নিজৰ ছহৰ্ছা, জামালপুৰ আৰু বেলাডৰ আসনকেইখন মিত্ৰজোঁটৰ নতুন দল দা ইণ্ডিয়ান ইনক্লুছিভ পাৰ্টীক এৰি দিছে। দলৰ জ্যেষ্ঠ নেতা তেজস্বী প্ৰসাদ য়াদৱে বৈশালী জিলাৰ ৰাঘোপুৰ সমষ্টিৰ বাবে প্ৰাৰ্থিত্ব আগবঢ়াইছে। বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ অবোধ বিহাৰী চৌধুৰীয়ে চিৱান, ভোজপুৰী অভিনেতা খেচাৰী লাল য়াদৱে চাপ্ৰা আসনৰ বাবে প্ৰাৰ্থিত্ব লাভ কৰিছে।

কংগ্ৰেছে বিহাৰ বিধানসভাৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ছজনীয়া প্ৰাৰ্থীৰ তৃতীয়খন তালিকা প্ৰকাশ কৰিছে। প্ৰাক্তন মন্ত্ৰী জেলিল মস্তানে পুৰ্নিয়াৰ আম'ৰ আসনখনৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। আৰ জে ডিৰ প্ৰাৰ্থী ৰিচি মিশ্ৰই পাৰস্পৰিক বুজাপৰাৰ মাজেৰে কংগ্ৰেছৰ প্ৰতীক চিহ্নত দাৰভাংগাৰ জেল বিধানসভা সমষ্টিত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। প্ৰথমখন তালিকা প্ৰকাশ পোৱাৰ পাছত মিত্ৰজোঁটৰ আৰ জে ডি, কংগ্ৰেছ, বিকাশশীল ইনচান পাৰ্টী, চি পি আই এম এলকে ধৰি বামপন্থী দলসমূহৰ মাজত আসনৰ ভাগ-বটোৱাৰাৰ দৃশ্যপট প্ৰায় স্পষ্ট হৈ পৰিছে।

ooooo

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা নৱী মুম্বাইৰ ড০ ডি ৱাই পাটিল স্পৰ্টছ একাডেমীত অনুষ্ঠিত এখন খেলত শ্ৰীলংকাই বাংলাদেশক ৭ ৰানত পৰাস্ত কৰে। টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ শ্ৰীলংকাই ৪৮ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২০২ ৰান কৰে। দলৰ হৈ হাছিনি পেৰেৰাই সৰ্বাধিক ৮৫ ৰান কৰে। বাংলাদেশৰ হৈ শ্ব'ৰনা আখটাৰে তিনিটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত বাংলাদেশে ৪৫ অভাৰ আৰু এটা বলত ৪ উইকেটৰ বিনিময়ত ১৭৬ ৰানৰ শক্তিশালী প্ৰদৰ্শন কৰে যদিও অৱশেষত নিৰ্ধাৰিত অভাৰত ৯টা উইকেট হেৰুৱাই ১৯৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। অন্তিমটো অভাৰত বাংলাদেশক জয়ৰ বাবে ৯ ৰানৰ আৱশ্যক হৈছিল যদিও প্ৰথম চাৰিটা বলতেই চাৰিটাকৈ উইকেট হেৰুৱায়। শ্ৰীলংকাৰ অধিনায়ক চামাৰি আট্টাপাটুৱে শেষৰ তিনিটা উইকেট দখল কৰে। বাংলাদেশৰ হৈ অধিনায়ক নিগৰ ছুলতানাই ৭৭ ৰান কৰাৰ লগতে ছাৰ্মিন আখটাৰে ৬৪ ৰান কৰি অপৰাজিত হৈ ৰয়। কালিৰ এই ফলাফলে শ্ৰীলংকাৰ বাবে ছেমি ফাইনেলত প্ৰৱেশ কৰাৰ আশা সজীৱ কৰি ৰখাৰ বিপৰীতে বাংলাদেশে নিজৰ পঞ্চম পৰাজয়ৰ পাছত অভিযান সামৰিছে।

ooooo

সমাপ্ত